জনসংযোগ, অসম　　　　　　　　　　　　　　　　　　　　　প্ৰেছ বাৰ্তা নং ঃ ২০৩

# তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ নিবেদন
# “ঘৰে ঘৰে তিৰংগা” শীৰ্ষক বাটৰ নাট

**গুৱাহাটী, ৮ আগষ্ট ঃ** দেশৰ স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে স্বাধীনতাৰ অমৃত মহোৎসৱৰ সৈতে সংগতি ৰাখি অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ে প্ৰস্তুত কৰি উলিয়াইছে “ঘৰে ঘৰে তিৰংগা” শীৰ্ষক এখনি বাটৰ নাট। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে জনসাধাৰণৰ মনত দেশপ্ৰেমৰ ভাৱ জগাই তুলি দেশৰ জাতীয় পতাকাখনৰ প্ৰতি সন্মান জনাই অহা ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈ হাতত লোৱা কাৰ্যসূচী ঘৰে ঘৰে তিৰংগাৰ প্ৰচাৰৰ বাবে এই বাটৰ নাট ৯ আগষ্ট তাৰিখৰ পৰা ১২ আগষ্টলৈ গুৱাহাটীৰ আশে-পাশে বিভিন্ন ঠাইত পৰিৱেশন কৰা হ’ব। সঞ্চালকালয়ৰ শিল্পীসকলৰ দ্বাৰা পৰিৱেশন কৰা এই বাটৰ নাট ৯ আগষ্ট তাৰিখে পুৱা ১১.০০ বজাৰ পৰা ক্ৰমে জালুকবাৰী, আজ্‌ৰা আৰু বিয়লি মিৰ্জা, ৰামপুৰত অনুষ্ঠিত হ’ব। একেদৰে ১০ আগষ্ট তাৰিখে সোণাপুৰ, ক্ষেত্ৰী আৰু বিয়লি মালৈবাৰী, তেতেলীয়া বজাৰত অনুষ্ঠিত হ’ব। ১১ আগষ্টত আমিনগাঁও, ৰংমহল, অভয়পুৰ আৰু চাংচাৰিত অনুষ্ঠিত হ’ব। ১২ আগষ্ট অন্তিম দিনা পুৱাবেলা নাৰেংগী, চপাইডং আৰু বিয়লি চন্দ্ৰপুৰ, মায়ঙত অনুষ্ঠিত কৰা হ’ব।

উল্লেখযোগ্য যে ৮ আগষ্ট তাৰিখে সঞ্চালকালয় চৌহদত সঞ্চালক বিষ্ণু কমল বৰা প্ৰমুখ্যে সমূহ বিষয়া-কৰ্মচাৰীৰ উপস্থিতিত প্ৰথমবাৰ এই বাটৰ নাটখন প্ৰদৰ্শন কৰা হয়।

ত্ৰি.হা./দি.পি.দি/০৮-০৮-২০২২